## জৌৰ জৈৱ-ৰাসায়নিক বিশ্লেষণ

| | |
|---|---|
| অৱস্থা | তৰল |
| বৰণ | পাতল মুগা |
| সোৱাদ | মিঠা |
| অস্বচ্ছতা | স্বচ্ছ |
| কঠিন পদাৰ্থ | ০.৩৭০ |
| আম্লিকতা | ৪.২১ |
| কাৰ্ব'হাইড্ৰেট | ৪৮ মিলিগ্ৰাম/মিলিলিটাৰ |
| প্ৰ'টিন | ১.২৬ মিলিগ্ৰাম/মিলিলিটাৰ |
| মুক্ত এমিন' এছিড | ৩.১ মিলিগ্ৰাম/মিলিলিটাৰ |
| ইথানল | ১৮.৫৩ V/V |

কাৰ্ব'হাইড্ৰেট ইথানললৈ পৰিৱৰ্তিত হয়। আনহাতে গ্লুক'জৰ বৃহৎ বহুযোগীবোৰ (polymers) ইষ্টৰদ্বাৰা কিণ্বন নহয় কাৰণে কিছু কাৰ্ব'হাইড্ৰেট জৌত থাকি যায়।

জৌৰ গুণগত মানৰ লগত এই উপাদানবোৰ জড়িত। যেনে—সময়ৰ লগে লগে জৌত পলিফিনলৰ মাত্ৰা বাঢ়ি যায় কাৰণে জৌ ফিনাইৰ বৰণ গাঢ় মুগা হয়। একেদৰে জৌ ফিনাইত জৌ বিদউইতকৈ অধিক মাত্ৰাত ফ্লেভানয়েড থকাৰ কাৰণে ইয়াৰ এণ্টিঅক্সিডেণ্ট ক্ষমতাও বেছি।

আনহাতে ৰাসায়নিক উপাদানৰ ক্ষেত্ৰত জৌ গ্ৰাম (বিশুদ্ধ) আন দুই প্ৰকাৰৰ জৌতকৈ অলপ পৃথক। পাতন প্ৰক্ৰিয়াৰে (এই প্ৰক্ৰিয়াত নিৰ্বাচিত উষ্ণতাত তৰলৰ মিশ্ৰণ এটা উতলাই পাছত ঘনীভৱন ঘটাই তৰলৰ মিশ্ৰণ এটাৰপৰা অশুদ্ধি আঁতৰ কৰা হয়) জৌক বিশুদ্ধ কৰাৰ পাছত ৰাসায়নিক উপাদান কাৰ্ব'হাইড্ৰেট, প্ৰ'টিন, ফ্লেভানয়েড আৰু পলিফিনল আদি ৰাসায়নিক উপাদানবোৰ নাইকিয়া হৈ শূন্য হয়। জৌ গ্ৰামৰ ক্ষেত্ৰত এণ্টিঅক্সিডেণ্ট ক্ষমতাও ন্যূনতম পোৱা গৈছে।

জৌত জীৱদেহৰ প্ৰয়োজনীয় বিভিন্ন ধাতৱ খনিজ, যেনে—ছ'ডিয়াম, পটাছিয়াম, মেংগানিজ আদিৰ উপস্থিতিৰো প্ৰমাণ পোৱা গৈছে।

পৰম্পৰাগত পদ্ধতি অৱলম্বন কৰি স্বাস্থ্যকৰ পৰিৱেশত জৌ প্ৰস্তুত কৰিলে জৌৰ গুণগত মান উন্নত কৰি ইয়াক ক্ষুদ্ৰ উদ্যোগলৈ পৰিৱৰ্তন কৰিব পাৰি। ইতিমধ্যে অসম চৰকাৰৰ ফালৰপৰা এনে এটা প্ৰচেষ্টা হাতত লোৱা হৈছে।

অতিমাত্ৰাত ব্যৱহাৰ নকৰি মধ্যম মাত্ৰাত সেৱন কৰিলে ইয়াৰ সুফল ভোগ কৰিব পৰা যায়।

**তথ্যসূত্ৰ ঃ**


1. Miniswrang Basumatary, Mohesh Gogoi, A traditional alcoholic beverage *Jou* : Prepared by Bodo community of Assam, India, International Journal of Multidisciplinary Research and Development, 2014; 1(7) : 307-313.
2. Deka, D.C.; Deka, A. K. Colorimetric Method for Determination of Alcohol Content of Jou : A Traditional Rice Beer of Bodo Community of Assam, India. Int Res J Natural Appl Sci. 2014, 1, 33-41.
3. Tarn Kumar Basumatary et al. *Jou* : the traditional drink of the Bodo tribe of Assam and North East India, Journal of Scientific and Innovative Research 2014, 3(2) : 239-293.
4. Deka, D.C.; Deka, A. K.; Handique P. Antioxidant activity and physicochemical Indices of Rice beer used by the Bodo community of North East India, Journal of American Society of Brewing Chemists, 2018, 76(2).



ঠিকনা ঃ Salarpuria Gardenia, Tower 8/ flat 8D, Martin Luther King Road, Bidhan Nagar, Durgapur, West Bengal-713212



**বন্ধু-চাকি উদগনি-বঁটা, ২০২১ৰ**

বাবে ৩১ অক্টোবৰ, ২০২০ৰ ভিতৰত পোৱাকৈ প্ৰকাশিত/অপ্ৰকাশিত এটিকৈ অসমীয়া কবিতা পঠিয়াওক এই ঠিকনাত ঃ 'বন্ধু-চাকি', ২২, বিৰিণা পথ, জনকপুৰ, গুৱাহাটী-৭৮১০১৯



# বছৰেকীয়া গ্ৰাহকসকলৰ প্ৰতি এটি ঘোষণা

নমস্কাৰ গ্ৰহণ কৰিব। প্ৰান্তিকৰ নতুন বছৰেকীয়া গ্ৰাহক হ'বলৈ বা গ্ৰাহক নৱীকৰণৰ বাবে এতিয়াৰপৰা online যোগেও পইচা পঠিয়াব পাৰিব। ইয়াৰ বাবে প্ৰান্তিকৰ HDFC বেংকৰ চানমাৰি শাখাৰ একাউণ্ট নম্বৰ 50200049269502, IFSC–HDFC 0000631 ব্যৱহাৰ কৰি পইচা জমা দিব পাৰিব। পইচা জমা দিয়াৰ লগে লগে নৱীকৰণৰ বাবে গ্ৰাহক নম্বৰ আৰু নতুন গ্ৰাহকৰ ক্ষেত্ৰত পিনক'ডসহ সম্পূৰ্ণ ঠিকনা আমাক e-mail (prantikasomiya@gmail.com) যোগে জনাব লাগিব। স্থানীয়ভাৱে প্ৰান্তিকৰ কাৰ্যালয়তো নগদ ধন বা চেকযোগেও বৰঙণি দিব পাৰিব।

বৰঙণিৰ নিৰিখ ঃ **ভাৰতৰ ভিতৰত আৰু বাংলাদেশ, নেপাল আৰু ভূটানৰ বাবে** ঃ এবছৰত **৬৫০** টকা, দুবছৰত **১২০০** টকা, আৰু তিনি বছৰত **১৭৫০** টকা।

**বিদেশৰ বাবে ঃ**

**কানাডা, আমেৰিকা, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড ঃ**

এবছৰৰ বৰঙণি—৬৫০ টকা + ডাক মাচুল—২৬৫০ টকা = **৩৩০০ টকা।**

**ইউৰোপ, এছিয়া আৰু আফ্ৰিকা ঃ**

এবছৰৰ বৰঙণি—৬৫০ টকা + ডাক মাচুল—২১৬০ টকা = **২৮১০ টকা।**

**প্ৰসন্ন শৰ্মা,**

ব্যৱস্থাপক, প্ৰান্তিক